**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 04-02-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি জম্মু-কাশ্মীৰৰ নিৰাপত্তা ব্যৱস্থা সম্পৰ্কীয় এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰিব।

২। কাইলৈ হ'বলগীয়া দিল্লী বিধানসভাৰ নিৰ্বাচনৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে।

৩। ওড়িশাৰ ৫৯টা ষ্টেচনক অমৃত ষ্টেচনলৈ উন্নীত কৰা হ'ব বুলি কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰিছে।

৪। ছিৰিয়াত কালি এটা গাড়ী বোমা বিস্ফোৰণত কমেও ২০ গৰাকী লোকে প্ৰাণ হেৰুৱাইছে।

**আৰু**

৫। ছিংগাপুৰ স্মেছ বিশ্ব টেবুল টেনিছ প্ৰতিযোগিতাত আজি ভাৰতৰ মানুষ শ্বাহ আৰু দিয়া চিতালেৰ যুটীটোৱে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি জম্মু-কাশ্মীৰৰ নিৰাপত্তা ব্যৱস্থা সম্পৰ্কীয় এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰিব। বৈঠকখনত জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা, গৃহ সচিব গোবিন্দ মোহন আৰু ইণ্টেলিজেন্স ব্যুৰ' আৰু ৰ'ৰ দৰে সংস্থাৰ মুৰব্বী তথা জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

ooooo

৭০ জনীয়া দিল্লী বিধানসভাৰ নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। কাইলৈ পুৱা ৭ বজাত ভোটগ্ৰহণ আৰম্ভ হৈ সন্ধিয়া ৬ বজাত সামৰণি পৰিব। এইবাৰৰ নিৰ্বাচনত ১ কোটি ৫৬ লাখ ভোটদাতাই ৬৯৯ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। কালি সন্ধিয়া নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰে। অহা শনিবাৰে এই নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

ooooo

দিল্লী বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ আৰু ভোটগণনা দিনকেইটাত নিৰ্বাচনী দায়িত্বত নিয়োগ কৰা লোকসকলৰ সহায়ক হোৱাকৈ দিল্লী মেট্ৰ' ৰে'ল সেৱা পুৱা ৪ বজাত আৰম্ভ হ'ব। এই দিনকেইটাত পুৱা ৪ বজাৰ পুৱা ৬ বজালৈ প্ৰতি আধা ঘণ্টাৰ মূৰে মূৰে ৰে'লসমূহ চলাচল কৰিব আৰু ইয়াৰ পাছত বাকী সময়ছোৱাত পূৰ্বৰ দৰে এই সেৱা অব্যাহত থাকিব।

ooooo

লোকসভাত কালি ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা কৰা হয়। আলোচনাকালত বিৰোধী দলপতি তথা কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীয়ে ৰাষ্ট্ৰপতিৰ ভাষণ বিগত বৰ্ষৰ সৈতে একেই আছে বুলি মন্তব্য কৰে। নিবনুৱা সমস্যা সমাধানত চৰকাৰ বিফল হোৱাৰ অভিযোগ কৰি বিষয়টোত চৰকাৰে অধিক গুৰুত্ব দিব লাগে বুলি তেওঁ উল্লেখ কৰে। চৰকাৰৰ ধবজাবাহী আঁচনি মেক ইন ইণ্ডিয়াৰ ধাৰণা প্ৰশংসনীয় যদিও সেয়া ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰ ব্যৰ্থ হোৱা বুলিও তেওঁ সমালোচনা কৰে। তেওঁ লগতে কয়, যে পৰ্যাপ্ত সম্ভাৱনা তথা উৎস থকাৰ পাছতো সেইসমূহৰ ব্যৱহাৰত চৰকাৰখন অসমৰ্থ হৈছে। সংবিধান সৰ্বোচ্চ আৰু সংবিধানেই দেশখন আগুৱাই নিব বুলি তেওঁ দৃঢ়তাৰে কয়।

ইপিনে বিজেপিৰ ৰামভীৰ সিঙে মোদী চৰকাৰৰ দ্বাৰা ৰূপায়িত জনকল্যানমুখী আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰে। দিল্লীৰ আপ চৰকাৰে আয়ুষ্মান ভাৰত আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ লেখিয়া কেন্দ্ৰীয় আঁচনিসমূহ ৰাষ্ট্ৰীয় ৰাজধানীত ৰূপায়ণ নকৰি জনসাধাৰণক স্বাস্থ্য সেৱা, গৃহ আৰু অন্যান্য সুবিধাৰ পৰা বঞ্চিত কৰা বুলি তেওঁ অভিযোগ কৰে। তেওঁ দিল্লীৰ বায়ু প্ৰদূষণ, বাট পথৰ অৱস্থা আৰু ৰাজহুৱা পৰিবহণ ব্যৱস্থাৰ সমস্যাৰ বিষয়সমূহো উত্থাপন কৰে। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে চৰকাৰী আৱাসৰ নামত ৰাজহুৱা ধনৰ অপচয় কৰা বুলিও বিজেপি সাংসদগৰাকীয়ে অভিযোগ কৰে।

বিজেপি সাংসদ ৰবি শংকৰে কংগ্ৰেছৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি কয়, যে মহাকুম্ভৰ প্ৰসংগ উল্লেখ কৰিলেই দলটোৱে অস্বস্তিবোধ কৰে।

সংসদৰ এই আলোচনাত কালি বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও সাংসদে নিজ নিজ মন্তব্য আগবঢ়ায়। সংসদৰ কাম-কাজ আজি দিনৰ ১১ বজাত পুনৰ আৰম্ভ হ'ব।

ooooo

ওড়িশাৰ ৫৯টা ষ্টেচনত অমৃত ষ্টেচন হিচাপে উন্নীত কৰা হ'ব বুলি কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰিছে। মন্ত্ৰালয়ে এই প্ৰকল্পৰ বাবে ২০২৫-২৬ বিত্তীয় বৰ্ষত ২ হাজাৰ ৩৭৯ কোটি টকাৰ আৱণ্টন দিছে। অমৃত ষ্টেচনলৈ উন্নীত কৰিবলগীয়া ষ্টেচনসমূহৰ ভিতৰত ভূৱনেশ্বৰ নিউ, মাঞ্চেশ্বৰ, কটক, ৰুৰকেল্লা, অংগুল, ধেনকানল, বালেশ্বৰ, ব্ৰহ্মপুৰ, পাৰাদ্বীপ, চম্বলপুৰ আদি ষ্টেচন অন্যতম। সাংবাদিকৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰে হোৱা কথা বতৰাত ৰে'ল মন্ত্ৰীগৰাকীয়ে কয়, যে এইবাৰৰ কেন্দ্ৰীয় বাজেটত ওড়িশাৰ ৰে'লখণ্ডৰ বাবে কেন্দ্ৰই ১০ হাজাৰ ৫৯৯ কোটি টকাৰ আৱণ্টন দিছে। ২০১৪ চনত বিজেপি নেতৃত্বাধীন চৰকাৰখন ক্ষমতালৈ অহাৰ পাছৰে পৰাই ৰাজ্যখনত ২ হাজাৰ ৬৬ কিলোমিটাৰ নতুন ৰে'লপথৰ লগতে ৭৮ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ৰে'ল প্ৰকল্প ৰূপায়ণ হৈ আছে বুলিও তেওঁ লগতে জানিবলৈ দিয়ে। ইয়াৰোপৰি ওড়িশাত ৬ খন বন্দে ভাৰত ৰে'লগাড়ীও চলাচল কৰি আছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে ভৱিষ্যতে এনে ৰে'লৰ সংখ্যা আৰু অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে বুলি মন্তব্য কৰে।

ooooo

ছিৰিয়াত কালি এটা গাড়ী বোমা বিস্ফোৰণত কমেও ২০ গৰাকী লোকে প্ৰাণ হেৰুৱাইছে। নিহতসকলৰ সৰহ সংখ্যকেই মহিলা। মনবিজ অঞ্চলত হোৱা বিস্ফোৰণটোত আন ১৫ গৰাকী যুৱতী মহিলাও আহত হয়। আহতসকলৰ কেইবাজনৰো অৱস্থা সংকটজনক বুলি প্ৰশাসনে প্ৰকাশ কৰিছে। এইটো হৈছে

মনবিজ অঞ্চলত শেহতীয়া তিনিটা দিনত সংঘটিত দ্বিতীয়টো এনে গাড়ী বোমা আক্ৰমণৰ ঘটনা। এতিয়ালৈ কোনো সন্ত্ৰাসবাদী গোটে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰা নাই।

00000

ছাংহাই সহযোগিতা সংস্থাৰ সচিব প্ৰধান নুৰলান য়েৰমেক্‌বায়েভ আজি নতুন দিল্লীত উপস্থিত হৈছে। সামাজিক মাধ্যমৰ এটা পোষ্টত বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয়, যে তেওঁৰ এই ভ্ৰমণে দেশৰ আঞ্চলিক সহযোগিতা, সুৰক্ষা বৃদ্ধিৰ লগতে বাণিজ্য আৰু অৰ্থনৈতিক বিকাশত দেশখনৰ প্ৰতিশ্ৰুতিবদ্ধতাক চিহ্নিত কৰিছে। শ্ৰীনুৰলান চাৰিদিনীয়া কাৰ্যসূচীৰে ভাৰতলৈ আহিছে।

00000

জম্মু-কাশ্মীৰৰ কুলগাম জিলাত কালি সন্ত্ৰাসবাদীৰ আক্ৰমণত এগৰাকী প্ৰাক্তন সেনা বিষয়া নিহত হয়। নিৰাপত্তা সূত্ৰসমূহে প্ৰকাশ কৰা অনুসৰি সন্ত্ৰাসবাদীৰ এটা দলে কুলগাম জিলাৰ বেহিবাগ অঞ্চলত প্ৰাক্তন সেনা বিষয়া, তেওঁৰ পত্নী আৰু কন্যাক উদ্দেশ্যি আক্ৰমণ কৰে। এই ঘটনাৰ পাছতেই আহত তিনিওগৰাকীকে ততাতৈয়াকৈ চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত প্ৰাক্তন সেনা বিষয়াগৰাকীৰ চিকিৎসালয়তে মৃত্যু হয়। এই ঘটনাত জড়িত সন্ত্ৰাসবাদীক আটক কৰাৰ বাবে নিৰাপত্তা বাহিনীয়ে অঞ্চলটো ঘেৰাও কৰি অভিযান অব্যাহত ৰাখিছে। উপ-ৰাজ্যপাল মনোজ সিনহা আৰু মুখ্যমন্ত্ৰী ওমৰ আব্দুলাই এই আক্ৰমণৰ ঘটনাক কঠোৰ ভাষাৰে গৰিহনা দিছে।

00000

শ্ৰীলংকাই আজি ৭৭ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিছে। কলম্বোৰ ইণ্ডিপেণ্ডেন্স স্কুৱেৰত এই দিৱসৰ চৰকাৰী কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। অন্যান্য চহৰসমূহতো এই দিৱস বিস্তৃত কাৰ্যসূচীৰে পালনৰ দিহা কৰা হৈছে। ৰাষ্ট্ৰৰ পুনৰুজ্জীৱিতকৰণৰ দিশে নতুন দৃষ্টিভংগীৰে দেশখনে ইয়াৰ নতুন চৰকাৰৰ অধীনত আজি ৭৭ সংখ্যক স্বাধীনতা দিৱস পালন কৰিছে। আৰক্ষীৰ মিডিয়াৰ মুখপাত্ৰ বুদ্ধিকা মানাটুংগাই কয়, যে এই দিৱস উদযাপনৰ বাবে এহাজাৰৰো অধিক আৰক্ষী বিষয়া নিয়োগ কৰা হৈছে। কলম্বোত আয়োজিত চৰকাৰী কাৰ্যসূচীত ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কেই বিশেষ ভাষণ প্ৰদান কৰিব। ইয়াৰ লগতে সামৰিক কুচ-কাৱাজ আৰু সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

00000

ছিংগাপুৰত অনুষ্ঠিত ছিংগাপুৰ স্মেছ বিশ্ব টেবুল টেনিছ প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আজি ভাৰতৰ মানুষ শ্বাহ আৰু দিয়া চিতালে- মেক্সিকোৰ মাৰ্ক'ছ মেড্ৰিড আৰু অৰান্ত্ছা কোছিঅ যুটীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব।

আনহাতে মহিলাৰ দ্বৈত শাখাত ভাৰতৰ অহিকা মুখাৰ্জী আৰু সুতিৰ্থা মুখাৰ্জী- থাইলেণ্ডৰ সুথাশিনী সাৱেট্টাবট আৰু ওৱাৱান পৱানাঙৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

অষ্ট্ৰেলিয়াৰ মিনহিউং জিৰ সৈতে যুটী বন্ধা ভাৰতৰ আন এগৰাকী খেলুৱৈ যশশ্বিনী ঘোড়পড়ে ছুইডেনৰ লিণ্ডা বৰ্গষ্ট্ৰ'ম আৰু ক্ৰিষ্টিনা কালবৰ্গৰ বিৰুদ্ধে কৰ্টত নামিব। ইয়াৰ পূৰ্বে মহিলাৰ একক শাখাত ভাৰতৰ তাৰকা খেলুৱৈ শ্ৰীজা আকুলাই চীনৰ ঝুঅ'জিয়াৰ বিৰুদ্ধে ২-৩ৰ ব্যৱধানত পৰাস্ত হৈ প্ৰতিযোগিতাৰ

পৰা বিদায় লয়। আনহাতে ভাৰতৰ মনিকা বাট্ৰাই ৰোমানিয়াৰ এলিজাবেতা সমাৰাৰ বিৰুদ্ধে ১-৩ৰ ব্যৱধানত আৰু যশশ্বিনী ঘোড়পড়েই জাপানৰ মিউৰা হাৰিমোতোৰ বিৰুদ্ধে ০-৩ৰ ফলাফলত পৰাস্ত হয়।

০০০০০

চেন্নাই অ'পেন এটিপি টেনিছ প্ৰতিযোগিতাৰ এখন খেলত বিশ্ব ৰেংকিঙৰ ৩২৪ নম্বৰ স্থানৰ খেলুৱৈ ইটালীৰ জেক'বা বেৰেটিনীয়ে প্ৰতিযোগিতাৰ ষষ্ঠ বাছনিৰ শ্ব' শিমাবুকুৰ'ক পৰাস্ত কৰিছে। খেলখনত বেৰ'টিনী ৬-৩, ৭-৬ৰ পোনপটীয়া ছেটত জয়ী হয়। আন এখন খেলত, পঞ্চম বাছনিৰ জাপানৰ শিণ্টাৰ' মচিযুকিয়ে ইটালীৰ এনৰিক' ডাল্লা ৰেল্লেক ৬-২, ৬-১ ছেটত পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।

ইপিনে কালি ক'ৰ্টত নমা ভাৰতৰ চাৰিওগৰাকী খেলুৱৈয়ে চূড়ান্ত যোগ্যতাৰ নিৰ্ণয়কাৰী খেলত পৰাস্ত হৈছে।

০০০০০

সমাপ্ত